# যেতিয়াৰ যিটো বন

**প্ৰশ্ন ১। যেতিয়াৰ যিটো বন সেইটো তেতিয়াই নকৰিলে কি অসুবিধা হ’ব পাৰে ?**

**উত্তৰঃ** যেতিয়াৰ যিটো বন তেতিয়াই নকৰিলে কামবাোৰ পিছ পৰি যায় আৰু কেতিয়াবা কামটো কৰাই নহয়গৈ । মানুহৰ জীৱনলৈ বিপদ – আপদ কেতিয়া আহে কোনেও ক’ব নোৱাৰে । কাম এটা কৰাৰ কাৰণে আজি যিখিনি সুবিধা আছে , কাইলৈ নাথাকিবও পাৰে । সেয়েহে , কৰিম কৰিম বুলি কামবাোৰ পিছুৱাই থ’ব নালাগে ।

**প্ৰশ্ন ২। সময়ৰ লগে লগে কামবাোৰ কৰি গ’লে কি লাভ হয় ?**

**উত্তৰঃ** সময়ৰ লগে লগে কাম কৰি গ’লে কামবাোৰ কৰাত সহজ হয় । এলাহত কোনাো কাম এতিয়া নকৰোঁ বুলি নকৈ সময়মতে কৰিলে কামত কৃতকাৰ্য লাভ কৰিব পাৰি । সময়মতে কাম কৰা মানুহে নাম , যশ সহজে লাভ কৰে ।

**প্ৰশ্ন ৩। কবিতাটোত থকা নঞৰ্থক ক্ৰিয়াপদবাোৰ বাচি উলিওৱা ।**

**উত্তৰঃ** কবিতাটোত থকা নঞৰ্থক ক্ৰিয়া পদবাোৰ হৈছে — নথকা , নকৰিলে , নহয় , নবয় , নুখুজিবা , নুবুলিবা আৰু নকৰোঁ ।

**প্ৰশ্ন ৪। বাক্য ৰচনা কৰা —**

গহৰি , ফল , এলাহ , সুবিধা , ততালিকে , বন

**উত্তৰঃ গহৰি :-** কাম কৰাত গহৰি কৰিলে কামৰ বাোজা বাঢ়ি যায় ।

**ফল :-** ভাল কাম কৰিলে যশ নিজে নিজে আহে ।

**এলাহ :-** এলাহ উন্নতিৰ শত্ৰু ।

**সুবিধা :-** নিজৰ সুবিধাৰ বাবে আনক বিপদত পেলাোৱা উচিত নহয় ।

**ততালিকে :-** দুৰ্ঘটনাগ্ৰস্ত মানুহক ততালিকে চিকিৎসা কৰা উচিত ।

**বন :-** আমাৰ ঘৰত এজনী বন কৰা বাই আছে ।

**প্ৰশ্ন ৫। তলত দিয়া শব্দবােৰৰ অৰ্থ লিখা –**

গহৰি , সমূলে , আপদ , এলাহ , ঢিলা , বন , যশ , কাল ।

**উত্তৰঃ**

| **অৰ্থ** | **শব্দ** |
|---|---|
| গহৰি | পলম |
| সমূলে | একেবাৰে |
| আপদ | বিপদ |
| এলাহ | কাম কৰিবলৈ অনিচ্ছা |
| ঢিলা | সহজ |
| বন | কাম |
| যশ | সুনাম |
| কাল | সময় |

**প্ৰশ্ন ৬। ক্ৰিয়া পদ কাক বােলে ? উদাহৰণ দিয়া ।**

**উত্তৰঃ** যি পদে কোনাে কাম কৰা বা নকৰা বুজায় তাক ক্ৰিয়াপদ বােলে।যেনে— ৰামে ভাত খাইছে । তেওঁ ঘৰলৈ যাব ।

খাইছে’ আৰু ‘ যাব ’ – এই দুয়াােটা ক্ৰিয়া পদ ।

**প্ৰশ্ন ৭। নঞৰ্থক ক্ৰিয়াপদ কাক বােলে ? উদাহৰণসহ বুজাই লিখা ।**

**উত্তৰঃ** নকৰা বা নাােহাােৱা অৰ্থ বুজোৱা ক্ৰিয়াপদক নঞৰ্থক ক্ৰিয়াপদ বােলে । উদাহৰণ — বনুৱাজনে আজি কাম নকৰে । ইয়াত ‘ নকৰে ’ নঞৰ্থক ক্ৰিয়া পদ ।

**প্ৰশ্ন ৮। তলত দিয়া ক্ৰিয়াপদবাােৰ নঞৰ্থক ক্ৰিয়াপদলৈ নিয়া ।**

কৰে , শিকে , খায় , দেখে , খুজিবা , বুলিবা

| | | |
|---|---|---|
| **উত্তৰঃ** কৰে | – | নকৰে |
| শিকে | – | নিশিকে |
| খায় | – | নাখায় |
| দেখে | – | নেদেখে |
| খুজিবা | – | নুখুজিবা |
| বুজিবা | – | নুবুজিবা |